[২০২৩] ১৪ এছ.চি.আৰ. ৮৩৪

**গোচৰৰ সবিশেষ**

মাৰকাশ জাজাৰা

বনাম

অসম চৰকাৰ আৰু আন এজন

(ফৌজদাৰী আপীল নং ৩৪০৫ চন ২০২৩)

০৩ নভেম্বৰ, ২০২৩

[ন্যায়াধীশ সূৰ্য কান্ত আৰু দিপাংকৰ দত্ত]

মূল টোকা

**বিবেচনাৰ বিষয়:** আপীলকাৰীক জোঁৱায়েকক হত্যা কৰাৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল। আপীলকাৰীৰ ওপৰত আৰোপ কৰা অপৰাধটো ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩০০ ব্যতিক্ৰম ১ ৰ “হত্যা”ৰ সংজ্ঞাৰ পৰিসৰৰ ভিতৰত পৰে নে নপৰে ।

দণ্ডবিধি, ১৮৬০–ধাৰা ৩০২ আৰু ধাৰা ৩০০ৰ ব্যতিক্ৰম ১– এই ঘটনা সংঘটিত হৈছিল আপীলকাৰীৰ ঘৰৰ ভিতৰত–এজাহাৰকাৰীয়ে আপীলকাৰীৰ ঘৰলৈ গৈ তেওঁৰ ভাতৃ, যিয়ে তেওঁৰ শহুৰৰ পৰিয়ালৰ লগত বাস কৰিছিল, মৃত অৱস্থাত পৰি থকা দেখিছিল– সাক্ষ্য-প্ৰমাণ বিবেচনা কৰি বিচাৰ আদালতে আপীলকাৰীক ভাৰতীয় দণ্ড বিধিৰ ৩০২ ধাৰাৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে দোষী সাব্যস্ত কৰে আৰু তেওঁক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে – আপীল উচ্চ ন্যায়ালয়ে খাৰিজ কৰে– যথাযথতা ।

বিচাৰ কৰা হয়: আপীলকাৰীৰ প্ৰকৃত উদ্দেশ্য আছিল মৃতকজনে মদ্যপান কৰাৰ পিছত আপীলকাৰীৰ কন্যাৰ লগত অসৎ আচৰণ কৰাত বাধা দিয়া - যি ধৰণেৰে ঘৰৰ ভিতৰতে এই ঘটনা সংঘটিত হৈছিল–ইয়াৰ পৰা বুজা যায় যে আপীলকাৰীক বাৰে বাৰে খঙাল কৰি তোলাৰ বাবে নিজৰ আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলাইছিল আৰু হঠাতে জোঁৱায়কক বাঁহৰ লাঠিডালেৰে মাৰপিট কৰিব ধৰিছিল– মৃতকজন আপীলকাৰীৰ ঘৰলৈ স্থানান্তৰিত হোৱাৰ পিছৰে পৰা আপীলকাৰী প্ৰৰোচিত হোৱাটো ফুটি উঠিছে – আপীলকাৰীৰ কন্যাক কৰা অপমানৰ পুনৰাবৃত্তিৰ লগে লগে আপীলকাৰী বেছিকৈ খঙাল হৈ পৰিছিল – আপাত দৃষ্টিত এই মাৰাত্মক ঘটনাটোৰেই আছিল আত্মনিয়ন্ত্ৰণৰ হেৰুৱাৰ চূড়ান্ত অৱস্থা – এজন হতাশ আৰু অসহায় ব্যক্তিৰ উতলি থকা ক্ষোভে তেওঁক বাঁহৰ লাখুটিৰে মৃতকক আঘাত কৰিবলৈ বাধ্য কৰাইছিল– মৃতকৰ উত্তেজক কাৰ্য্যই এই গোচৰত অবিৰতভাৱে প্ৰৰোচনাৰ সৃষ্টি কৰিছিল- এই গোচৰৰ তথ্য আৰু পৰিস্থিতিত দেখা যায় যে আপীলকাৰীয়ে মৃতকক আঘাত কৰা কাৰ্য্য ‘নৰবধ’ অভিব্যক্তিৰ ভিতৰত পৰে যিটো ‘হত্যা’ৰ সমান নহয় - এই আদালতে বিবেচিত মতামত অনুসৰি, আপীলকাৰীক দিয়া যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি দহ বছৰৰ কঠোৰ কাৰাদণ্ডলৈ হ্ৰাস কৰি ন্যায় প্ৰদান কৰা হ'ব - বিচাৰ আদালতে প্ৰদান কৰা শাস্তি সেই অনুসৰি সংশোধন কৰা হৈছে [দফা ১৭,১৮,১৯]

**প্ৰত্যাহ্বান জনোৱা আদেশ আৰু হাজিৰ হোৱাকে ধৰি অন্যান্য গোচৰৰ সবিশেষ**

**ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ:** ফৌজদাৰী আপীল নং ৩৪০৫/ ২০২৩।

গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল (কাৰাগাৰ) নং ১১৮/২০১৬ ত ১২.০৩.২০১৯ তাৰিখে দিয়া ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা ।

আপীলকাৰীৰ অধিবক্তা- গৌৰৱ আগৰৱালা

প্ৰতিপক্ষৰ অধিবক্তা- নলিন কোহলী, জ্যেষ্ঠ অতিৰিক্ত মহাধিবক্তা, আস্তিক ধিংৰা, অংশুল মালিক আৰু শুভোদ্বীপ ৰায়।

## উচ্চতম ন্যায়ালয়ৰ ৰায় / আদেশ

### ৰায়

১) অনুমতি প্ৰদান কৰা হল ।

২) তিতাবৰ থানাৰ গোচৰ নং ৬৫/২০১৫-ৰ পৰা উদ্ভৱ হোৱা সত্ৰ গোচৰ নং ১৮৮ (জে-টি)/২০১৫ -ত যোৰহাটৰ বিদ্বান সত্ৰ ন্যায়াধীশে দিয়া ০৩.১০.২০১৬ তাৰিখৰ ৰায় আৰু আদেশ, য'ত আপীলকাৰীক তেওঁৰ জোৱাই প্ৰয়াত মাৰ্কুশ বৰ্জাক হত্যা কৰাৰ অপৰাধত দোষী সাব্যস্ত কৰা হৈছিল আৰু শাস্তি হিচাপে আজীৱন কাৰাদণ্ড আৰু ১০,০০০ টকা জৰিমনা, আৰু জৰিমনাৰ ধন পৰিশোধ কৰিব নোৱাৰিলে ছয় মাহৰ কাৰাদণ্ডৰ বিহা হৈছিল, সেই ৰায়ৰ বিৰুদ্ধে আপীলকাৰীয়ে কাৰাগাৰৰ জৰিয়তে দাখিল কৰা আপীল গুৱাহাটী উচ্চ ন্যায়ালয়ে ১২.০৩.২০১৯ তাৰিখৰ বিবাদিত ৰায়ৰ জৰিয়তে খাৰিজ কৰিছে ।

৩) সেই দিনাই সাক্ষী নং ৮ (ৰেল বৰ্জা) ৰ পৰা তেওঁৰ সৰু ভায়েক মাৰ্কুশ বৰ্জাক আপীলকাৰীয়ে বাঁহৰ লাঠিৰে আক্ৰমণ কৰি হত্যা কৰা বুলি ওপৰত উল্লেখ কৰা এজাহাৰ লাভ কৰাৰ পিছত ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩০২ ৰ অধীনত গোচৰ ৰুজু কৰা হৈছিল।

৪) এজাহাৰ পঞ্জীয়ন কৰাৰ পিছত, আবেদনকাৰীক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তেওঁৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩০২ ৰ অধীনত অভিযোগপত্ৰ দাখিল কৰা হৈছিল। গুচৰীয়া পক্ষই আপীলকাৰীৰ পত্নী মনোনিত জাজাৰা (সাক্ষী নং ৫) আৰু তেওঁৰ কন্যা সৰানী বৰিয়া (সাক্ষী নং ৬) সহ নজন সাক্ষীক পৰীক্ষা কৰিছিল। আবেদনকাৰীৰ পত্নীয়ে গুচৰীয়া পক্ষৰ গোচৰটোক এনেদৰে সমৰ্থন কৰিছিল যে তেওঁৰ জোৱায়েকক আপীলকাৰীয়ে হত্যা কৰিছিল, কিন্তু তেওঁ ভয়তে ঘৰত প্ৰৱেশ কৰিব নোৱাৰাৰ বাবে এই ঘটনা দেখা নাছিল। আপীলকাৰীৰ কন্যা, যি মৃতকৰো পত্নী (সাক্ষী নং ৬), তেওঁৰ জবানবন্দী এই আপীলৰ ওপৰত প্ৰত্যক্ষ আৰু গুণগত প্ৰভাৱ আছে। সেয়েহে, আমি তেওঁৰ জবানবন্দী পুনৰ উত্থাপন কৰিব বিচাৰিছো, যিটো তলত দিয়া ধৰণৰ-

‘আজি আদালতৰ ডকত উপস্থিত থকা অভিযুক্ত শ্ৰীমাৰ্কাশ জাজৰাক চিনি পাওঁ। অভিযুক্ত মোৰ দেউতা।

মই মৃত মাৰ্কুশ বৰাকো চিনি পাইছিলোঁ । তেওঁ মোৰ স্বামী আছিল।

প্ৰায় ডেৰ বছৰ আগতে এই ঘটনা সংঘটিত হৈছিল। ঘটনাৰ দিনা মই মোৰ স্বামীৰ সৈতে আমাৰ পিতৃ-মাতৃৰ ঘৰলৈ গৈ আছিলো কাৰণ তেওঁলোক অসুস্থ আছিল।

ঘটনাৰ দিনা মই মোৰ কৰ্মস্থলীত উপস্থিত আছিলো। ঘৰলৈ উভতি আহি প্ৰায় ৪ বজাত গম পালোঁ যে মোৰ স্বামীক মোৰ দেউতাই [অভিযুক্ত] হত্যা কৰিছে।

মই ভয়ত ঘৰত প্ৰৱেশ কৰা নাছিলো। আমাৰ ঘৰলৈ আৰক্ষী অহাৰ পিচতহে মই মোৰ ঘৰত প্ৰৱেশ কৰিছিলো। মই ঘৰৰ পাকঘৰৰ মজিয়াত স্বামীৰ মৃতদেহটো পৰি থকা দেখিছিলোঁ।

ঘটনাৰ বিষয়ে দেউতাকক সোধা-পোছা কৰাত তেওঁ মোৰ আগত স্বীকাৰ কৰিছিল যে তেওঁ মোৰ স্বামীক হত্যা কৰিছিল। আৰক্ষীয়ে মোৰ স্বামীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ লৈ যায়। দেউতাককো থানালৈ লৈ যোৱা হ'ল।

ঘটনাৰ বিষয়ে মই একো নাজানো। ঘটনাটো মই প্ৰত্যক্ষ কৰা নাছিলো।

আমি পিতৃ-মাতৃৰ পৰা পৃথকে বাস কৰো। মোৰ মা-দেউতাই মোৰ ভাইটি আৰু তেওঁৰ পত্নীৰ সৈতে বাস কৰিছিল।

মোৰ স্বামী এজন মদ্যপায়ী ব্যক্তি আছিল। ঘটনাৰ তাৰিখৰ আগতে মোৰ স্বামীয়ে মদ খাই মোৰ আৰু দেউতাৰ লগত কাজিয়া কৰিছিল।

মোৰ স্বামীয়ে মদ খাই মোক বেয়া ব্যৱহাৰ কৰাৰ বাবে দেউতাই মোৰ স্বামীক হত্যা কৰিছিল। মোৰ আগত দেউতাই স্বীকাৰ কৰিছিল যে তেওঁ মোৰ স্বামীক বাঁহৰ টুকুৰাৰে মাৰি হত্যা কৰিছিল।

৫) গুচৰীয়া পক্ষই পৰীক্ষা কৰা বস্তুনিষ্ঠ সাক্ষীসকলৰ ভিতৰত এজন হল মৃতকৰ ভাতৃ- সাক্ষী নং ৬ (ৰেল বৰজা)– যিয়ে ঘটনাৰ প্ৰত্যক্ষদৰ্শী নহয় বুলি স্বীকাৰ কৰিছে। আপীলকাৰীয়ে তেওঁৰ সৰু ভাতৃক আক্ৰমণ কৰা বুলি গম পাই তেওঁ ঘটনাস্থলীত উপস্থিত হৈ তেওঁৰ ভাতৃক মজিয়াত মৃত অৱস্থাত পৰি থকা দেখিছিল।

৬) এই পৰ্যায়ত উল্লেখ কৰিব পাৰি যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন অনুসৰি মৃত ব্যক্তিজনে তলত দিয়া ধৰণৰ আঘাত পাইছিল-

"১. সোঁ কপালৰ ওপৰত, মাজৰ ৰেখাৰ পৰা ৩ ছেমি আৰু ভ্ৰুৰ পৰা ২.৫ ছেমি আতৰত এটা ৭ ছেমি x ১ ছেমি আকাৰৰ পেশী পৰ্যন্ত কটা যোৱা গভীৰ আঘাত ।

২. বাওঁফালৰ মাষ্ট'ইড অঞ্চলৰ ওপৰত এটা ২ চে.মি. x ১ ছেমি আকাৰৰ পেশী পৰ্যন্ত কটা যোৱা গভীৰ আঘাত দেখা যায়।

৩. ঠুটুৰিৰ ঠিক তলত তিৰ্যকভাৱে হোৱা এটা ২ ছেমি x ১ ছেমি আকাৰৰ পেশী পৰ্যন্ত কটা যোৱা গভীৰ আঘাত" ।

৭) মৃতদেহৰ ওপৰত মৰণোত্তৰ পৰীক্ষা কৰা ডাঃ বেদ প্ৰকাশ গুপ্তাই সাক্ষী নং ৪ হিচাপে সাক্ষী দিওতে তেওঁ প্ৰস্তুত কৰা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ সত্যতা স্বীকাৰ কৰি মতামত প্ৰকাশ কৰে যে "মৃতকৰ মূৰৰ ওপৰত হোৱা আঘাত মাৰাত্মক আৰু সেই আঘাতে তৎক্ষণাত মৃত্যু ঘটাব পাৰে ।"

৮) ওপৰত উল্লেখ কৰা সাক্ষ্যসমূহ বিবেচনা কৰি বিচাৰ আদালতে আপীলকাৰীক ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩০২ ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে দোষী সাব্যস্ত কৰে আৰু শাস্তি হিচাপে তেওঁক যাৱজ্জীৱন কাৰাদণ্ডৰ প্ৰদান কৰে।

৯) দেখা যায় যে আপীলকাৰীৰ দুৰ্বল আৰ্থিক অৱস্থাৰ বাবে তেওঁৰ হৈ জেল কৰ্তৃপক্ষই আপীল কৰিছিল আৰু এজন এমিকাছ কিউৰিৰ সহায় লৈ সমগ্ৰ সাক্ষ্য-প্ৰমাণৰ পুনৰ মূল্যায়নৰ কৰি উচ্চ ন্যায়ালয়ে তলত দিয়া সিদ্ধান্তত উপনীত হৈছিল:

"১৪. সাক্ষীসকলে ভালদৰে সমৰ্থন কৰা তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি বিদ্বান এমিকাছ কিউৰীৰ যুক্তিৰ সৈতে একমত নহয় যে অভিযুক্ত আপীলকাৰীক দোষী সাব্যস্ত কেৱল সন্দেহৰ ভিত্তিতহে কৰা

হৈছিল। বিদ্বান অধিবক্তাই যুক্তিৰ সৈতেও আমি একমত নহয় যে "স্বীকাৰোক্তি"ৰ প্ৰতিটো শব্দ অভিযুক্তই কোৱা সঠিক শব্দত লিপিবদ্ধ কৰিব লাগে বিশেষকৈ যেতিয়া ই ন্যায়িক স্বীকাৰোক্তি নহয়। (২০০৭) ১২ পৃষ্ঠা ৩৪১ ত প্ৰকাশ কৰা অজয় সিং -বনাম- মহাৰাষ্ট্ৰ ৰাজ্যৰ গোচৰত প্ৰদান কৰা মহামান্য উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ ৮নং দফাত কোৱা হৈছে যে যদিও সাক্ষীয়ে সঠিক শব্দবোৰ কোৱাটো প্ৰয়োজনীয় নহয় কিন্তু ইয়াত গুৰুত্বপূৰ্ণ আৰু বস্তুনিষ্ঠ পাৰ্থক্য থাকিব নোৱাৰে। এই বাক্যটোৱেই দেখুৱাইছে যে স্বীকাৰোক্তি দিয়া অভিযুক্তই কোৱা সঠিক শব্দ সাক্ষীয়ে কোৱাটো প্ৰয়োজনীয় নহয় কিন্তু সাক্ষীয়ে স্বীকাৰোক্তিৰ সামগ্ৰিক আৰু গুৰুত্বপূৰ্ণ অংশবোৰ উল্লেখ কৰিলে ই যথেষ্ট হ'ব। এই ক্ষেত্ৰত, গোচৰৰ তথ্য আৰু পৰিস্থিতিত, সাক্ষী নং ৬ য়ে সাক্ষ্যত উল্লেখ কৰা কথাটো যে তেওঁ সোধাত তেওঁৰ দেউতাকে তেওঁৰ আগত স্বীকাৰ কৰিছিল যে তেওঁ তাইৰ স্বামীক হত্যা কৰিছিল, সেয়া যথেষ্ট কাৰণ সেই সাক্ষ্য স্পষ্ট, নিৰ্দিষ্ট, দ্ব্যৰ্থহীন আৰু বিশ্বাসযোগ্য। "

১০) আপীলকাৰীয়ে লোৱা প্ৰতিৰক্ষামূলক দাবী যে এই ঘটনাৰ কোনো প্ৰত্যক্ষদৰ্শী নাছিল আৰু তেওঁৰ কন্যাৰ আগত তেওঁ কৰা স্বীকাৰোক্তি (সাক্ষী নং-৬)ৰ ওপৰত নিৰ্ভৰ কৰিব পৰা নাযায়, ইয়াৰ সন্দৰ্ভত উচ্চ ন্যায়ালয়ে সেই যুক্তিসমূহৰ কোনো যোগ্যতা বিচাৰি নাপালে আৰু এই ক্ষেত্ৰত মতামত দিছিল যে:

"১৭. ইয়াৰ উপৰিও সাক্ষী নং ৬ (অভিযুক্তৰ কন্যা) য়ে উল্লেখ কৰিছে যে "মই মোৰ দেউতাক এই ঘটনাৰ বিষয়ে প্ৰশ্ন কৰিছিলো আৰু তেওঁ মোৰ আগত স্বীকাৰ কৰিছিল যে তেওঁ মোৰ স্বামীক হত্যা কৰিছে" আৰু সাক্ষী নং-১ য়ে উল্লেখ কৰিছে যে "অভিযুক্তই গাঁওৰ মানুহৰ আগত স্বীকাৰ কৰিছিল যে তেওঁ বাঁহৰ লাঠিৰে জোঁৱায়েকক হত্যা কৰিছিল। সাক্ষী দুজনৰ বক্তব্য সহজ, স্পষ্ট আৰু দ্ব্যৰ্থহীন আৰু ইয়াৰ দ্বাৰা স্পষ্টভাৱে বুজাই দিয়া হৈছিল যে অভিযুক্ত আপীলকাৰীয়ে স্বীকাৰ কৰিছিল যে তেওঁ ভুক্তভোগী মৃতকক তেওঁ হত্যা কৰিছিল। এইটো সঁচা যে অভিযুক্ত আপীলকাৰীৰ কথাখিনি সাক্ষী দুজনে সঠিকভাৱে কোৱা নাছিল যদিও অভিযুক্ত আপীলকাৰীয়ে উল্লেখ কৰা তথ্যৰ বস্তুনিষ্ঠ বিষয়সমুহ উল্লেখ কৰা হৈছে। তদুপৰি অভিযুক্তই এই বিষয়ত সাক্ষী দুজনক প্ৰশ্ন কৰা নাছিল আৰু তেওঁলোকৰ সাক্ষ্যক সত্য বা বিশ্বাসযোগ্য নহয় বুলি প্ৰতিয়মান কৰিবলৈ চেষ্টা কৰা নাছিল। এইদৰে আমি সাক্ষীসকলৰ সাক্ষ্য বিশ্বাস নকৰাৰ কোনো কাৰণ বিচাৰি নাপাওঁ।

তদুপৰি, সাক্ষী দুজনে কোৱাৰ দৰে অভিযুক্তৰ স্বীকাৰোক্তি পৰিস্থিতিগত প্ৰমাণেৰে ভালদৰে সমৰ্থিত যে এই ঘটনাটো অভিযুক্ত আপীলকাৰীৰ ঘৰৰ চৌহদতে সংঘটিত হৈছিল আৰু ঘটনাৰ সময়ত অভিযুক্ত-আপিলকাৰীজন ভুক্তভোগীৰ মৃতদেহটোৰ সৈতে অকলে আছিল"।

১১. আমি আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান পৰামৰ্শদাতা শ্ৰীগৌৰৱ আগৰৱালৰ লগতে অসম ৰাজ্যৰ হৈ বিদ্বান অতিৰিক্ত মহাধিবক্তা শ্ৰী নলিন কোহলীৰ যুক্তি শুনিছো আৰু নথিত থকা তথ্যসমূহ সাৱধানে পৰীক্ষা কৰিছো।

১২. বিবেচনাৰ বাবে উত্থাপন হোৱা চুটি প্ৰশ্নটো হল আপীলকাৰীক দায়ী কৰা অপৰাধটো ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩০০-ৰ ব্যতিক্ৰম-১-ৰ পৰিসৰৰ ভিতৰত পৰে নে নপৰে যত "হত্যা"ৰ সজ্ঞা উল্লেখ আছে। ব্যতিক্ৰম ১ তলত দিয়া ধৰণে পঢ়িব পাৰিঃ

"ব্যতিক্ৰম ১- দোষাবহ নৰবধ কেতিয়া হত্যা নহয়- দোষাবহ নৰবধ হত্যা নহয়, যদি অপৰাধীয়ে গুৰুতৰ আৰু আকস্মিক উচতনিৰ বশৰৱৰ্ত্তী হৈ আত্ম-সংযমৰ ৰক্ষাৰ পৰা বঞ্চিত হৈ, অন্য কোনো এজন ব্যক্তি, যিজনে অপৰাধীজনক প্ৰকোপিত কৰিছিল, ভুল বা দুৰ্ঘটনা ক্ৰমে সেই ব্যক্তিৰ মৃত্যু ঘটায় ।

ওপৰৰ ব্যতিক্ৰমটো নিম্নোক্ত তলত উল্লেখ কৰা নিয়মসমূহৰ ওপৰত নিৰ্ভৰ কৰেঃ

প্ৰথমে – যে উচতনিটো কোনো ব্যক্তিক বধ কৰাৰ বা অনিষ্ট কৰাৰ বাবে এটা উপযুক্ত কাৰণ ৰূপে অপৰাধীজনৰ দ্বাৰা বিচৰা হোৱা নাই বা বা স্বেচ্ছাই উত্তেজিত কৰা নহয় ।

দ্বিতীয়তে- আইনৰ আনুগত্যত কৰা কোনো কামৰ দ্বাৰা বা এনে লোক সেৱকৰ ক্ষমতাৰ আইনী ব্যৱহাৰত লোক সেৱকৰ দ্বাৰা উচতনি দিয়া নহয়।

তৃতীয়তে --যে ব্যক্তিগত প্ৰতিৰক্ষাৰ অধিকাৰৰ বিধি সন্মত প্ৰয়োগত কোনো কাৰ্য্য কৰাৰ দ্বাৰা উচতনি দিয়া হোৱা নাই ।

ব্যাখ্যা – উচতনি দিয়াটো হত্যাৰ পৰ্য্যায়ৰ অপৰাধ হোৱাটো নিবাৰণ কৰিব পৰাকৈ গম্ভীৰ আৰু আচম্বিত আছিল নে নাই সেয়া এক বাস্তৱিক প্ৰশ্ন।

১৩) আমি ৫ নং দফাত উল্লেখ কৰা অনুসৰি আবেদনকাৰীৰ কন্যা সাক্ষী নং ৬ (সৰানী বৰিয়া) ৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি উপৰোক্ত বিষয়টো বিশ্লেষণ কৰা উচিত।

১৪) এইটো দেখিবলৈ পোৱা যায় যে বিচাৰ আদালতৰ লগতে উচ্চ ন্যায়ালয়েও আপীলকাৰী কন্যা সৰানী বৰিয়া (সাক্ষী নং ৬)-ৰ সাক্ষ্যৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰি আপীলকাৰীক তেওঁৰ জোঁৱায়েকৰ হত্যাৰ অপৰাধত দোষী সাব্যস্ত কৰিছে।

১৫) আমাৰ বিবেচনাত, সাক্ষী নং ৬ (সৰানী বৰিয়া)ৰ সাক্ষ্যক সম্পূৰ্ণৰূপে বিবেচনা কৰাৰ প্ৰয়োজন আছে। তেওঁৰ জেৰাত, সাক্ষী নং ৬ য়ে স্পষ্টভাৱে স্বীকাৰ কৰিছে যে তেওঁৰ স্বামী এগৰাকী সুৰাপায়ী আছিল আৰু তেওঁ সুৰাপান কৰাৰ পিছত তাইৰ সৈতে আৰু আপীলকাৰীৰ সৈতেও কাজিয়া কৰিছিল। তেওঁ স্পষ্টভাৱে সাক্ষী দিছে যে মৃতকজনে সুৰাপান কৰি তেওঁৰ সৈতে বেয়া ব্যৱহাৰ কৰিছিল।

১৬) সাক্ষী নং ৬ ৰ সাক্ষ্যৰ পৰা আমি ধাৰণা কৰোঁ যে মৃতকজন এগৰাকী মদ্যপান কৰা ব্যক্তি আছিল আৰু তেওঁ কেৱল তেওঁৰ পত্নীৰ সৈতেই নহয়, তেওঁৰ পৰিয়ালৰ আন সদস্যসকলৰ সৈতেও দুৰ্ব্যৱহাৰ কৰিছিল। এই সাক্ষ্য সঠিক ভাৱে গ্ৰহণযোগ্য। মৃতকে এনে আচৰণ কৰাৰ বাবে আপীলকাৰীৰ একমাত্ৰ চিন্তা আছিল তেওঁৰ একমাত্ৰ কন্যা সন্তানৰ জীৱন আৰু মৰ্যাদা ৰক্ষা কৰা। নথিত থকা সাক্ষ্যবোৰ পঢ়ি এইটো ভাৱ হৈছে যে আপীলকাৰীয়ে কেৱল মৃতকৰ মনত এক প্ৰকাৰৰ মানসিক ভয় আৰু সংযমৰ সৃষ্টি কৰিব বিচাৰিছিল, যাতে তেওঁ আপীলকাৰীৰ কন্যাক পুনৰ আক্ৰমণ বা অপমান কৰিব নোৱাৰে। ঘটনা সংঘটিত হোৱাৰ সময়ত কেৱল আপীলকাৰী আৰু মৃতকজনহে ঘৰত উপস্থিত আছিল। মৃতকজনে দৈনিক মদ্যপান কৰাটো এটা স্পষ্ট কাৰক আছিল যিয়ে আপীলকাৰীক মৃতকক হত্যা কৰাৰ উদ্দেশ্যৰে আক্ৰমণ কৰিবলৈ বাধ্য কৰা হোৱা নাছিল, বৰঞ্চ কেৱল মৃতকজনক নিজৰ পথ সংশোধন কৰিবলৈ আৰু মদ্যপান কৰাৰ সমস্যা সমাধান কৰাৰ উদ্দেশ্যৰে আক্ৰমণ কৰিবলৈ বাধ্য কৰা হৈছিল। আপীলকাৰীয়ে মৃতকৰ হত্যা কৰাৰ কোনো উদ্দেশ্য নোহোৱাকৈয়ে আক্ৰমণ কৰা যেন লাগে। বৰঞ্চ ই আছিল আপীলকাৰীৰ মৃতকৰ অভ্যাস বলপূৰ্বকভাৱে সলনি কৰি আপীলকাৰীৰ কন্যাক শান্তিপূৰ্ণ আৰু মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰাত সহায় কৰাৰ এক অকৃত্ৰিম প্ৰচেষ্টা।

১৭) আপীলকাৰীৰ উদ্দেশ্য আছিল মদ্যপান কৰাৰ পিছত মৃতকে আপীলকাৰীৰ কন্যাৰ সৈতে অসৎ আচৰণ কৰাত বাধা দিয়া। ঘৰৰ ভিতৰতে যি ধৰণেৰে এই ঘটনা সংঘটিত হোৱা যেন লাগে, তাৰ পৰাই বুজা যায় যে আপীলকাৰীয়ে অহৰহ প্ৰৰোচিত হোৱাৰ বাবে আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলাইছিল আৰু হঠাতে জোঁৱাইক বাঁহৰ লাঠিডালেৰে কোবাইছিল। মৃতকজন আপীলকাৰীৰ ঘৰলৈ স্থানান্তৰিত হোৱাৰ পিছৰে পৰা যেন

প্ৰৰোচনাৰ জুইহে জ্বলি উঠিছিল। আপীলকাৰীৰ কন্যাক প্ৰতিবাৰেই কৰা অপমানজনক স্থিতিত এই প্ৰৰোচনাই গুৰুতৰ ৰূপ ধাৰণ কৰিছিল। এই মাৰাত্মক ঘটনাটোৰেই আছিল যেন আত্মনিয়ন্ত্ৰণৰ শক্তি হেৰুৱাৰ চূড়ান্ত অৱস্থা। মৃত ব্যক্তিজনে আপীলকাৰীৰ সৈতে `ঘৰজোঁৱাই' হিচাপে থকাটোৱে যথেষ্ট ইংগিত দিয়ে যে আপীলকাৰীৰ জোঁৱায়োকক হত্যা কৰাৰ কোনো পূৰ্ব পৰিকল্পিত উদ্দেশ্য নাছিল। কিন্তু অভ্যাসগত মদ্যপায়ী মৃতকৰ দ্বাৰা আপীলকাৰীৰ কন্যাক অহৰহ হাৰাশাস্তিৰ বাবে আপীলকাৰীয়ে হঠাতে আত্মনিয়ন্ত্ৰণ হেৰুৱাব নালাগিছিল। এজন হতাশ আৰু দুৰ্ভগীয়া পিতৃৰ উতলি থকা অসন্তুষ্টিয়ে মৃতকক বাঁহৰ লাঠিৰে আঘাত কৰিবলৈ বাধ্য কৰালে। মৃতকে বাৰে বাৰে প্ৰৰোচনা কৰাৰ বাবে এজন দুৰ্ভগীয়া পিতৃয়ে মৃতকজনক বাঁহৰ লাঠিৰে আঘাত কৰিছিল।

১৮) বৰ্তমানৰ গোচৰৰ তথ্য আৰু পৰিস্থিতিত, ওপৰত উল্লেখ কৰা অনুসৰি, আমাৰ দৃষ্টিত এইটো প্ৰতীয়মান হয় যে মৃত ব্যক্তিজনক আঘাত কৰাৰ ক্ষেত্ৰত আপীলকাৰীৰ কাৰ্য্য 'অপৰাধমূলক নৰবধ' ৰ অভিব্যক্তিৰ ভিতৰত পৰে যিটো 'হত্যা' বুলি গণ্য কৰা নহয়। সেই অনুসৰি আমি এই ৰায় বাহাল ৰাখো। বিচাৰ আদালতৰ লগতে উচ্চ ন্যায়ালয়ৰ বিবাদিত ৰায়সমূহ এইখিনিলৈকে সংশোধন কৰা হয়।

১৯) আমি শাস্তিৰ পৰিমাণৰ সন্দৰ্ভত পক্ষসমূহৰ বিদ্বান অধিবক্তাৰ যুক্তিসমূহ বিবেচনা কৰিছো। আমাৰ বিবেচিত মতামত অনুসৰি আপীলকাৰীক প্ৰদান কৰা যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি দহ বছৰৰ কঠোৰ কাৰাদণ্ডলৈ ৰূপান্তৰিত কৰিলে ন্যায়ৰ লক্ষ্য পৰ্যাপ্তভাৱে পূৰণ কৰা হ'ব। বিচাৰ আদালতৰ দ্বাৰা প্ৰদান কৰা শাস্তি সেই অনুসৰি সংশোধন কৰা হৈছে। এই আপীল আংশিকভাৱে মঞ্জুৰ কৰা হ'ল । আপীলকাৰীক শাস্তিৰ প্ৰয়োজনীয় আৰু হ্ৰাস কৰা সময়সীমা সম্পূৰ্ণ হোৱাৰ পিছত মুকলি কৰি দিয়া হ'ব, যদি তেওঁক আন কোনো গোচৰত প্ৰয়োজন নহয়।

২০) এই আপীলৰ অংশ হিচাপে যদি কিবা অন্তবৰ্তী আবেদন বিচাৰাধীন হৈ থাকে, সেইবোৰো নিষ্পত্তি কৰা হ'ল।

আপীল আংশিক ভাৱে মঞ্জুৰ কৰা হ'ল ।

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")